**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 11-05-2025
**Time :** 1340 Hrs

***Assamese Midday Bulletin***

**--------------------**

০০০০০০

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি নতুন দিল্লীৰ চৰকাৰী বাসভৱনত এখন উচ্চ পৰ্যায়ৰ বৈঠকত মিলিত হয়।

২। ভাৰত আৰু পাকিস্তানৰ মাজত উত্তেজনা প্ৰশমনৰ বাবে হোৱা যুদ্ধবিৰতিৰ বুজাবুজিক বিশ্ব নেতাসকলে আদৰণি জনাইছে।

৩। ভাৰতীয় বায়ুসেনা বাহিনীয়ে কৈছে যে অপাৰেচন সিন্দুৰৰ অধীনত বাহিনীক দিয়া দায়িত্ব অত্যন্ত নিষ্ঠা সহকাৰে পালন কৰা হৈছে আৰু অপাৰেচন সিন্দুৰ অব্যাহত আছে।

৪। অসমত দুটা পৰ্যায়ত অনুষ্ঠিত পঞ্চায়ত নিৰ্বাচনৰ ভোটগণনা চলি আছে।

***আৰু***

৫। ত্ৰিদেশীয় মহিলা এদিনীয়া ক্ৰিকেট শৃংখলাৰ ফাইনেলত আজি ভাৰত আয়োজন দেশ শ্ৰীলংকাৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি নতুন দিল্লীৰ চৰকাৰী বাসভৱনত এখন উচ্চ পৰ্যায়ৰ বৈঠকত মিলিত হয়। এই বৈঠকত প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙ, বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰ, ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা অজিত ডোভাল, সেনা সৰ্বাধিনায়ক জেনেৰেল অনিল চৌহান, সেনা প্ৰধান জেনেৰেল উপেন্দ্ৰ দ্বিবেদী, নৌসেনা প্ৰধান এডমিৰেল দীনেশ কে ত্ৰিপাঠী আৰু বায়ু সেনা প্ৰধান এয়াৰ চীফ মাশ্বাৰ্ল অমৰ প্ৰীত সিং উপস্থিত আছিল। ভাৰত আৰু পাকিস্তানৰ মাজত কালি হোৱা যুদ্ধ বিৰতিৰ বুজাবুজিৰ পাছত আজি এই গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। কাইলৈ দুয়োখন দেশৰ সামৰিক অভিযান সঞ্চালকপ্ৰধান, **DGMO** পৰ্যায়ৰ আলোচনা অনুষ্ঠিত হ'ব।

বিদেশ সচিব বিক্ৰম মিশ্ৰীয়ে যোৱা নিশা প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কৈছিল যে পাকিস্তানে যুদ্ধবিৰতি উলংঘা কৰাৰ বিষয়টো নতুন দিল্লীয়ে গুৰুত্ব সহকাৰে লৈছে। তেওঁ কয় যে সামগ্ৰিক পৰিস্থিতিত সশ্ৰস্ত্ৰ বাহিনীসমূহে তীক্ষ্ণ নজৰ ৰাখিছে আৰু আন্তৰ্জাতিক সীমান্তৰ লগতে নিয়ন্ত্ৰণ ৰেখাত হোৱা যিকোনো কূটাঘাটমূলক ঘটনাৰ শক্তিশালী প্ৰত্যুত্তৰ দিবলৈ সশস্ত্ৰ বাহিনীক নিৰ্দেশ দিয়া হৈছে।

০০০০০০

ৰাষ্ট্ৰীয় প্ৰযুক্তিবিদ্যা দিৱস উপলক্ষে আজি প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কৈছে যে নতুন প্ৰযুক্তিৰ বিকাশেৰে দেশবাসীৰ জীৱন যাপন প্ৰণালীৰ যোগাত্মক পৰিবৰ্তন সাধন কৰা বিজ্ঞানী, অভিযন্তা আৰু প্ৰযুক্তিবিদসকলক দেশে অভিবাদন জনাইছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীসিঙে কয় যে দেশে এই মুহূৰ্তত ১৯৯৮ চনৰ পোখৰানৰ সফল পৰীক্ষণৰ লগত জড়িত বিজ্ঞানীসকলক স্মৰণ কৰিছে। ভাৰতৰ ইতিহাসত সেই ঘটনা অত্যন্ত স্মৰণীয় বুলিও তেওঁ উল্লেখ কৰে।

০০০০০০

ভাৰতীয় বায়ুসেনা বাহিনীয়ে কৈছে যে অপাৰেচন সিন্দুৰৰ অধীনত বাহিনীক দিয়া দায়িত্ব অত্যন্ত নিষ্ঠা সহকাৰে পালন কৰা হৈছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত বাহিনীয়ে কয় যে ৰাষ্ট্ৰীয় নীতি অনুসৰি নিৰ্দিষ্ট পদ্ধতিৰে অভিযান চলোৱা হৈছিল। অপাৰেচন সিন্দুৰৰ অধীনত অভিযান অব্যাহত আছে বুলি উল্লেখ কৰি বাহিনীয়ে বাৰ্তাটোত কয় যে সমস্ত অভিযানৰ বিস্তাৰিত ব্যাখ্যা শীঘ্ৰেই দিয়া হ'ব। যিকোনো ভুৱা আৰু অপৰিক্ষীত তথ্যৰ পৰা আঁতৰি থাকিবলৈ বাহিনীয়ে সকলোকে আহ্বান জনায়।

০০০০০০

ৰাষ্ট্ৰীয় প্ৰযুক্তিবিদ্যা দিৱস উপলক্ষে আজি প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কৈছে যে নতুন প্ৰযুক্তিৰ বিকাশেৰে দেশবাসীৰ জীৱন যাপন প্ৰণালীৰ যোগাত্মক পৰিবৰ্তন সাধন কৰা বিজ্ঞানী, অভিযন্তা আৰু প্ৰযুক্তিবিদসকলক দেশে অভিবাদন জনাইছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীসিঙে কয় যে দেশে এই মুহূৰ্তত ১৯৯৮ চনৰ পোখৰানৰ সফল পৰীক্ষণৰ লগত জড়িত বিজ্ঞানীসকলক স্মৰণ কৰিছে। ভাৰতৰ ইতিহাসত সেই ঘটনা অত্যন্ত স্মৰণীয় বুলিও তেওঁ উল্লেখ কৰে।

০০০০০০

অসমত দুটা পৰ্যায়ত অনুষ্ঠিত পঞ্চায়ত নিৰ্বাচনৰ ভোটগণনা চলি আছে। ৰাজ্যৰ ২৭ খন জিলাত একেলগে ভোটগণনা প্ৰক্ৰিয়া আৰম্ভ হৈছে। নিৰ্বাচন ২৫ হাজাৰ ৭টা কেন্দ্ৰত বেলটযোগে অনুষ্ঠিত হৈছিল। ভোটদাতাসকলে ২১ হাজাৰ ৯২০ খন গাঁও পঞ্চায়ত, ২ হাজাৰ ১৯১ খন আঞ্চলিক পঞ্চায়ত আৰু ৩৯৭টা জিলা পৰিষদৰ সদস্য পদৰ বাবে অনুষ্ঠিত নিৰ্বাচনত নিজ নিজ ভোটাধিকাৰ সাব্যস্ত কৰে। আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদৰ একাংশ পদত ইতিমধ্যে বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীয়ে বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়লাভ কৰিছে। এইবাৰ গাঁওপঞ্চায়ত সদস্যৰ বাবে কোনো দলীয় প্ৰাৰ্থী নাছিল, ৰাজনৈতিক দলৰ সলনি নিৰ্দলীয়ভাৱে প্ৰাৰ্থীসকলে প্ৰতিদ্বন্দ্বিতা আগবঢ়ায়।

ধেমাজি আৰু মাজুলীত ইতিমধ্যে কেইবাগৰাকীও ৱাৰ্ড সদস্যই জয়লাভ কৰিছে। মাজুলীৰ ৰাৱনপাৰা আঞ্চলিক পঞ্চায়তৰ আঞ্চলিক সদস্যৰ বিজেপি মিত্ৰজোঁটৰ পৱিত্ৰ বৰা বিজয়ী হৈছে। গড়মূৰ আঞ্চলিক পঞ্চায়তো বিজেপিৰ প্ৰাৰ্থী ৰেখা বৰুৱা বিজয়ী হয়। ইপিনে, আহতগুৰি আঞ্চলিক পঞ্চায়তত মিত্ৰজোঁটে অগ্ৰগতি লাভ কৰাৰ লগতে মাজুলীৰ চাৰিখন জিলা পৰিষদতো মিত্ৰজোঁটৰ প্ৰাৰ্থী আগবাঢ়ি আছে। চৰাইদেউ জিলাত প্ৰথম পৰ্যায়ৰ ভোটগণনা ফলাফল অনুসৰি সোণাৰি বিধানসভা সমষ্টিৰ সোণালী গাঁও পঞ্চায়তৰ ১০টা ৱাৰ্ডতে বিজেপি প্ৰাৰ্থী জয়ী হৈছে।

০০০০০০

খেলো ইণ্ডিয়া যুৱ ক্ৰীড়া মহোৎসৱত মহাৰাষ্ট্ৰই মুঠ ৭৪টা পদকেৰে তালিকাৰ শীৰ্ষস্থান অক্ষুন্ন ৰাখিছে। ইয়াৰে ভিতৰত ২৭টা সোণৰ আৰু ২২টা ৰূপৰ পদক আছে। ১৪টা সোণ আৰু ১৯টা ৰূপসহ মুঠ ৩৯টা পদকেৰে কৰ্ণাটক দ্বিতীয় স্থান আৰু ৰাজস্থান তৃতীয় স্থানত আছে। এই মহোৎসৱৰ আজি অষ্টম দিন আৰু বক্সিঙকে ধৰি মল্লযুঁজ, যোগাসন, ফেন্সিং আদি কেইবাবিধো নতুনকৈ অন্তৰ্ভুক্ত হোৱা খেল বিভিন্ন স্থানত অনুষ্ঠিত হৈছে। গট্‌কাৰ পিছত আন এবিধ সমল কলা কালাৰিপায়াট্টো প্ৰতিযোগিতা আজি আৰম্ভ হৈছে। ৰাজগীৰ ক্ৰীড়া প্ৰকল্প হকী আৰু বেগুচৰাইত ফুটবল খেলসমূহ অনুষ্ঠিত হৈছে।

০০০০০০

আজি বিশ্বজুৰি মাতৃ দিৱস উদযাপন কৰা হৈছে। প্ৰতি বছৰৰ মে'ৰ দ্বিতীয়টো দেওবাৰত এই দিৱস উদযাপন কৰা হয়। এই দিৱসৰ জৰিয়তে পৰিয়ালৰ প্ৰতি থকা ভালপোৱা, যত্ন আৰু ত্যাগৰ বাবে মাতৃগৰাকীক প্ৰশংসা কৰাৰ লগতে কৃতজ্ঞতা জনোৱা হয়।

নাগালেণ্ডত এই দিৱস উপলক্ষে গীৰ্জাসমূহত মাতৃক সন্মান প্ৰদৰ্শনৰ বাবে বিশেষ কাৰ্যসূচী আয়োজন কৰা হৈছে। মাতৃক বিশেষ সন্মান জনোৱাৰ অৰ্থে পৰিয়ালসমূহ একেলগ হৈ বিভিন্ন প্ৰকাৰৰ খাদ্য প্ৰস্তুত কৰাৰ লগতে মাতৃসকলক উপহাৰ প্ৰদান কৰা হয়। তদুপৰি মাতৃৰ লগতে পৰিয়ালৰ আন সকলৰ সু-স্বাস্থ্য আৰু মংগলৰ অৰ্থে প্ৰাৰ্থনাৰো আয়োজন কৰা হয়।

০০০০০০

ইৰাণৰ বিদেশ মন্ত্ৰী ছৈয়দ আববাছ আৰঘছীয়ে কৈছে যে আমেৰিকাৰ সৈতে হ'বলগীয়া আলোচনা কালত দেশখনে নিজৰ পাৰমানৱিক অধিকাৰ সন্দৰ্ভত কোনো বুজাবুজি নকৰে। ওমানত আজি দুয়োখন ৰাষ্ট্ৰৰ মাজত নতুন এলানি পৰমাণু আলোচনা আৰম্ভ হ'ব। দোহাত কালি চতুৰ্থ আৰব-ইৰাণ সন্মিলনত শ্ৰীআৰাঘছীয়ে সজোৰে কয় যে ইৰাণ সদায়েই পাৰমানৱিক অস্ত্ৰৰ বিস্তাৰ ৰোধ চুক্তিৰ সদস্য হৈ আছে আৰু ইউৰেনিয়াম সমৃদ্ধিকে ধৰি পাৰমানৱিক শক্তিক শান্তিপূৰ্ণভাৱে ব্যৱহাৰৰ অধিকাৰ মানি চলি আহিছে। তেওঁ এইবুলিও নিশ্চিতি দিয়ে যে ইৰাণ পাৰমানৱিক অস্ত্ৰৰ অধিকাৰী হ'ব নিবিচাৰে আৰু দেশখনৰ সুৰক্ষা নীতিত বিনাশকাৰী অস্ত্ৰ-শস্ত্ৰৰ কোনো স্থান নাই।

০০০০০০

ত্ৰিদেশীয় মহিলা এদিনীয়া ক্ৰিকেট শৃংখলাৰ ফাইনেলত আজি ভাৰত আয়োজন দেশ শ্ৰীলংকাৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। কলম্বোৰ আৰ প্ৰেমদাসা ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত ভাৰতে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লয়। শেহতীয়া খবৰ অনুসৰি ভাৰতে ৪৭ অভাৰত ৬ উইকেটৰ বিনিময়ত ৩১১ ৰাণ কৰিছে।

০০০০০০

ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদ বি চি চি আইৰ বিষয়ববীয়া আৰু আই পি এল পৰিচালনা সমিতিয়ে আজি এই ক্ৰিকেট প্ৰতিযোগিতা সম্পূৰ্ণ কৰাৰ সম্ভাব্য সূচীৰ বিষয়ে আলোচনা কৰিব বুলি পৰিষদৰ উপাধ্যক্ষ ৰাজীৱ শুক্লাই প্ৰকাশ কৰিছে। পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ পাছত ভাৰতে অপাৰেচন সিন্দূৰ অভিযান চলোৱাৰ পৰিপ্ৰেক্ষিতত ভাৰত আৰু পাকিস্তানৰ সীমান্ত বিবাদে পূৰ্ণকালীন যুদ্ধৰ ৰূপ লোৱাৰ সম্ভাৱনালৈ চাই বি চি চি আয়ে শুকুৰবাৰে এই প্ৰতিযোগিতা স্থগিত ৰাখিছিল। প্ৰতিযোগিতাত এতিয়াও ১৬ খন খেলিবলৈ বাকী আছে। ভাৰত আৰু পাকিস্তানৰ সংঘৰ্ষৰ বাবে যোৱা বৃহস্পতিবাৰে ধৰমশালাত পাঞ্জাব কিংছ আৰু ডেলহি কেপিটেলছৰ মাজত অনুষ্ঠিত খেলখন আধাতে বন্ধ কৰি দিয়া হৈছিল।

০০০০০০

ভাৰতৰ বতৰ বিজ্ঞান বিভাগে কয় যে ২৭ মে’ত দক্ষিণ-পশ্চিম মৌচুমী প্ৰবাহে কেৰালা উপকূলত প্ৰৱেশ কৰাৰ সম্ভাৱনা আছে। দক্ষিণ-পশ্চিম মৌচুমী প্ৰবাহৰ আৰম্ভণিৰ তাৰিখ ১ জুন বুলি ধাৰণা কৰা হৈছিল যদিও পাঁচ দিন পূৰ্বেই এইবাৰ দক্ষিণ-পশ্চিম মৌচুমী বতাহে কেৰালা উপকূলত প্ৰৱেশ কৰাৰ সম্ভাৱনা আছে। খাৰিফ শস্যৰ বীজ সিঁচাৰ বতৰত ইতিবাচক প্ৰভাৱ পৰিব বুলি আশা কৰা হৈছে। ভাৰতৰ বতৰ বিজ্ঞান বিভাগে লগতে ২০২৫ চনৰ বাৰিষা পৰিমাণগতভাৱে স্বাভাৱিকতকৈ বেছি হ’ব বুলি আশা প্ৰকাশ কৰিছে। একেৰাহে দ্বিতীয় বাৰলৈ বতৰ বিজ্ঞান বিভাগে স্বাভাৱিকতকৈ অধিক বৰষুণৰ আশা কৰিছে। মধ্যপ্ৰদেশ, ৰাজস্থান, মহাৰাষ্ট্ৰ, ওড়িশা, ছত্তীশগড়, উত্তৰ প্ৰদেশ, আৰু পশ্চিম বংগত স্বাভাৱিকতকৈ অধিক বৰষুণ হোৱাৰ সম্ভাৱনা আছে। জম্মু-কাশ্মীৰ, লাডাখ, তামিলনাডু, বিহাৰ, আৰু উত্তৰ-পূবৰ ৰাজ্যসমূহত স্বাভাৱিকতকৈ কম বৰষুণ হ’ব পাৰে।

০০০০০০

সমাপ্ত